জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৮৭/২০২১

# ডিমা হাছাও জিলাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প ৰূপায়ণৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৬ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি হাফলংস্থিত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত ডিমা হাছাও জিলাত ৰূপায়িত হৈ থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতিৰ বিতং পৰ্যালোচনা কৰে। উক্ত বৈঠকতে মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনি, উন্নয়নমূলক প্ৰকল্প আৰু জিলাখনৰ সাম্প্ৰতিক ক'ভিড-১৯ পৰিস্থিতিৰো পৰ্যালোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনৰ উন্নয়নৰ দিশত অৰিহণা যোগাব পৰাকৈ ডিমা হাছাও জিলা বিশেষকৈ জিলা সদৰ হাফলঙৰ যথেষ্ট সম্ভাৱনীয়তা আছে। মুখ্যমন্ত্ৰীয়ে এই সম্ভাৱনীয়তাসমূহৰ সৰ্বোচ্চ প্ৰয়োগৰ দিশত পদক্ষেপ লোৱাৰ বাবে বিষয়াবৰ্গক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলাখনৰ উদীয়মান খেলুৱৈসকলক অত্যাধুনিক সা-সুবিধা প্ৰদান কৰাৰ বাবে আধুনিক ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণৰ দিশত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিবলৈ নিৰ্দেশ দিয়ে।

জিলাখনৰ পৰ্যটনৰ দিশত থকা প্ৰচুৰ সম্ভাৱনীয়তাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদ এলেকাত নতুনকৈ নিৰ্মাণ কৰিবলগীয়া গৃহসমূহে যাতে ঐতিহ্যৰ চানেকি বহন কৰিব পাৰে সেই দিশত গুৰুত্ব আৰোপ কৰিবলৈও নিৰ্দেশ দিয়ে। জিলাখনলৈ অহা পৰ্যটকসকলৰ সা-সুবিধা বৃদ্ধিৰ বাবে হাফলঙত আৰু অধিক অতিথিশালা নিৰ্মাণৰ পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে।

জিলাখনৰ ক'ভিড-১৯ ৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই জিলা প্ৰশাসনক জিলাখনৰ উচ্চ সংক্ৰমণৰ এলেকাসমূহ চিনাক্তকৰণৰ পদক্ষেপ লোৱাৰ নিৰ্দেশ দিয়ে। জিলাখনত টিকাকৰণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবে ভোটকেন্দ্ৰ ভিত্তিত টিকাকৰণ কৰিবলগীয়া লোকসকলৰ তালিকা প্ৰস্তুত কৰি এই দিশত বিহিত ব্যৱস্থা গ্ৰহণৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। এই দিশত হাফলং চহৰৰ ১০০ শতাংশ টিকাকৰণ নিশ্চিত কৰাৰ বাবেও তেওঁ আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে। সংক্ৰমণ প্ৰতিৰোধৰ বাবে ক'ভিড পৰীক্ষাৰ সংখ্যা বৃদ্ধি কৰাৰ বাবেও তেওঁ স্বাস্থ্য বিভাগৰ বিষয়াবৰ্গক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে জিলাখনত জল জীৱন অভিযান, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনি ইত্যাদি ৰূপায়ণৰো পৰ্যালোচনা কৰে।

আজিৰ এই পৰ্যালোচনা বৈঠকত জলসম্পদ বিভাদৰ মন্ত্ৰী পীযুষ হাজৰিকা, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবোলাল গৰ্লোচা, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়িকা নন্দিতা গাৰ্লোচা, উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদৰ সকলো সদস্য তথা ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে।

**নিঃকুঃদাঃ**
**২৬/০৭/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in